

## ইতিহাসৰ এৰা-বোটলা

### গ্ৰীক দেৱীৰ চক্ৰান্তত পেৰিছ ট্ৰয় নগৰৰ ধ্বংস

■ আনুমানিক খ্ৰিষ্টপূৰ্ব ১২০০-১১৮০ত গ্ৰীছৰ লগত ট্ৰয় নগৰৰ প্ৰচণ্ড যুদ্ধ হৈছিল। ইতিহাসত ইয়েই ট্ৰয়ৰ যুদ্ধ নামে বিখ্যাত।

গ্ৰীক দেৱতা আছিল স্বৰ্গৰ ৰজা জিউছ। এদিন তেওঁ এখন ভোজ সভালৈ সকলো দেৱ-দেৱীকে নিমন্ত্ৰণ কৰিলে। কিন্তু বাদ পৰি গ'ল অশান্তিৰ দেৱী। ৰজাৰ এনে আচৰণত ক্ষুণ্ণ হৈ অশান্তিৰ দেৱীয়ে দেৱতাসকলৰ সভাত এটা সোণৰ আপেল পেলাই দিলে আৰু আপেলটোৰ গাত লিখি দিলে 'সকলোতকৈ সুন্দৰী ৰমণীগৰাকীৰ প্ৰতিয়েই এই আপেল।' এই সভাত উপস্থিত থকা দেৱীসকলৰ ভিতৰত তিনিগৰাকী আছিল হীৰা, এথিনী আৰু এফৰোডাইট। তিনিওগৰাকীয়ে দাবী কৰিলে আপেলটো। কিন্তু বিষয়টো নিজৰ মাজত মীমাংসা নোহোৱাত তেওঁলোক পৃথিৱীলৈ নামি আহিল। সেই সময়ত ট্ৰয়ৰ ৰাজপুত্ৰ পৰম সুন্দৰ পুৰুষ পেৰিছে পাহাৰৰ ওপৰত বহি ছাগলী চৰাই আছিল। তিনিওগৰাকী দেৱীয়ে আহি বিচাৰৰ ভাৰ অৰ্পণ কৰিলে পেৰিছৰ ওপৰত।

আপেলটো নিজৰ কৰি লোৱাৰ তাড়নাত তিনিগৰাকী সুন্দৰীয়েই পেৰিছক নিজৰ ফালে প্ৰলোভিত কৰিবলৈ বিচাৰিলে। হীৰা হ'ল দেৱৰাজ জিউছৰ পত্নী, তেওঁ লোভ দেখুৱালে ক্ষমতাৰ। এথিনীয়ে লোভ দেখুৱালে জ্ঞান আৰু বিদ্যাৰ। আনহাতে এফৰোডাইটে লোভ দেখুৱালে প্ৰেমৰ। তেওঁ ক'লে, 'ক্ষমতা আৰু বিদ্যাৰে কি হ'ব পেৰিছ, মোক যদি তুমি সকলোতকৈ সুন্দৰী বুলি মানি লৈ আপেলটো দিয়া তেতিয়াহ'লে পৃথিৱীৰ সকলোতকৈ সুন্দৰী নাৰীগৰাকীৰ লগত তোমাৰ বিয়া হ'ব।' পেৰিছেও এফৰোডাইটৰ কথাত ভোল গৈ আপেলটো দি দিলে। ফলস্বৰূপে এফালেদি এফৰোডাইট পেৰিছৰ ওপৰত যিমান সন্তুষ্ট হ'ল আন দুগৰাকী সিমানেই অসন্তুষ্ট হ'ল তেওঁৰ ওপৰত। তেওঁলোকে পেৰিছক কঠোৰ শাস্তি দিয়াৰ সিদ্ধান্ত ল'লে।

সেই সময়ত পৃথিৱীৰ সকলোতকৈ সুন্দৰী নাৰীগৰাকী আছিল গ্ৰীছৰ স্পাৰ্টা ৰাজ্যৰ ৰজা মেনেলাছৰ পত্নী হেলেন। এফৰোডাইটৰ চক্ৰান্তত পেৰিছ হ'ল স্পাৰ্টাৰ ৰজাৰ অতিথি। তাৰ পাছত এদিন সুযোগ বুজি তেওঁ হেলেনক অপহৰণ কৰি নিজ দেশ ট্ৰয় পোৱালেগৈ।

এই অপমান আছিল গ্ৰীকসকলৰ বাবে অসহ্যকৰ। সেই সময়ত গ্ৰীছৰ সম্ৰাট আছিল মেনেলাছৰ জ্যেষ্ঠ ভ্ৰাতৃ আগামেমনন। তেওঁ গ্ৰিছৰ সকলো ৰজাক একত্ৰিত কৰি ১০,০০০ খন যুদ্ধ জাহাজেৰে হেলেনক উদ্ধাৰৰ বাবে ট্ৰয় নগৰলৈ যুদ্ধ যাত্ৰা কৰিলে।

আৰম্ভ হ'ল বিখ্যাত ট্ৰয়ৰ যুদ্ধ। দহ বছৰ ধৰি চলা এই যুদ্ধত হাজাৰ হাজাৰ গ্ৰীক আৰু ট্ৰজান (ট্ৰয়ৰ অধিবাসী) বীৰ নিহত হ'ল। ইয়াৰ ভিতৰত ট্ৰজানৰ বীৰ সেনাপতি হেক্টৰ আৰু গ্ৰীক বীৰ আকিলিছো আছিল। তথাপি জয়-পৰাজয়ৰ নিষ্পত্তি হোৱা নাছিল। এদিন হঠাতে গ্ৰীকসকল যুদ্ধক্ষেত্ৰৰ পৰা পিছুৱাই গৈ জাহাজত উঠিল, নগৰৰ বাহিৰত এৰি থৈ গ'ল এটা প্ৰকাণ্ড কাঠৰ ঘোঁৰা।

গ্ৰীকসকলৰ এনে আচৰণত ট্ৰজানসকলে ভাবিলে যে গ্ৰীকসকল নিশ্চয় ঘোঁৰাটো এৰি থৈ যুদ্ধক্ষেত্ৰৰ পৰা পলাইছে। তেওঁলোকে বিজয়ৰ চিন হিচাপে মহাসমাৰোহেৰে নৃত্য-গীত আদি কৰি ঘোঁৰাটো চোঁচৰাই নি চহৰৰ মাজ পোৱালেগৈ। আচলতে কিন্তু সেই ঘোঁৰাটোৰ ভিতৰত সোমাই আছিল বছা বছা দক্ষ গ্ৰীক সেনা। মাজৰাতি সমগ্ৰ ট্ৰয়বাসী উৎসৱ-আনন্দত অধীৰ হৈ থাকোঁতে ঘোঁৰাৰ ভিতৰৰ পৰা গ্ৰীক সৈন্যখিনি ওলাই আহিল আৰু ট্ৰয় নগৰীৰ মূল প্ৰৱেশদ্বাৰ খুলি দিলেহি। লগে লগে কাষতে লুকাই থকা গ্ৰীক সেনা জঁপিয়াই পৰিল ট্ৰয়বাসীৰ ওপৰত। অগ্নিৰ দাবানলত সমস্ত ট্ৰয় নগৰ ধ্বংস হ'ল।

এইদৰে দহ বছৰ জোৱা যুদ্ধৰ অন্তত হেলেনক উদ্ধাৰ কৰি গ্ৰীকসকল নিজ দেশলৈ উভতিল।

গ্ৰীক কবি হোমাৰে ৰচনা কৰা মহাকাব্য 'ইলিয়াড' আৰু 'অ'ডিছি'ত ট্ৰয়ৰ যুদ্ধৰ বিস্তৃত বিৱৰণ আছে। হোমাৰৰ জন্মৰ (হোমাৰৰ জীৱনকাল আনুমানিক খ্ৰিষ্টপূৰ্ব সপ্তম-অষ্টম শতিকা) আগতেই ট্ৰয়ৰ যুদ্ধ হৈছিল। হোমাৰৰ সময়ত এই যুদ্ধৰ কাহিনী মানুহৰ মুখে মুখে প্ৰচলিত আছিল। এই যুদ্ধৰ কাহিনীকে অপূৰ্ব ছন্দত গাঁথি হোমাৰে ৰচনা কৰে 'ইলিয়াড' আৰু 'অ'ডিছি' নামৰ মহাকাব্য দুখন। মহাকাব্য দুখন পৰস্পৰ পৰিপূৰক।

প্ৰায় তিনি হাজাৰ বছৰৰ আগতে গ্ৰীছত এই গ্ৰন্থ লিখা হৈছিল। ইলিয়াড গ্ৰন্থত উল্লেখ কৰা ট্ৰয় চহৰক 'ইলিয়াম' বুলি জনা গৈছিল, আৰু ইলিয়াড শব্দৰ অৰ্থ হ'ল ইলিয়াম সম্পৰ্কে, অৰ্থাৎ, ট্ৰয় সম্পৰ্কে।

## জলে বনে

### ভেকুলীৰ টোৰটোৰনি



■ ভেকুলীৰ টোৰটোৰনি সকলোৰে বাবে চিনাকি। কেতিয়াবা নিজম ৰাতি ভেকুলীয়ে ইমান বেছি শব্দ কৰি টোৰটোৱাবলৈ ধৰে যে টোপনিত ব্যাঘ্যাত জন্মে। মাইকী ভেকুলীয়ে দুখ পালে বা এনেয়েও শব্দৰ সৃষ্টি কৰিব পাৰে। পিছে আমি সাধাৰণতে ভেকুলীৰ যি টোৰটোৰনি শুনো সেই টোৰটোৰনি মতা ভেকুলীয়েহে কৰে।

মতা ভেকুলীয়ে টোৰটোৱোৱাৰ মূল কাৰণ হ'ল সিহঁতে মিলনৰ বাবে মাইকী ভেকুলীক আকৃষ্ট কৰিব খোজে। অৱশ্যে সেই সময়ৰ বাহিৰে আন সময়ত আৰু বিশেষ উদ্দেশ্য নথকাকৈও মতা ভেকুলীয়ে টোৰটোৱাব পাৰে। টোৰটোৰনিৰ সময়ত ভেকুলীয়ে মুখেৰে বায়ু ভিতৰলৈ টানি লয়। তাৰ পাছত তাৰ নাক আৰু মুখ বন্ধ কৰি বায়ুখিনি মুখ আৰু হাঁওফাঁওলৈ অহা-যোৱা কৰায়। তেনে কৰোঁতে বায়ু স্বৰতন্ত্ৰীৰ (vocal cord) ওপৰেদি পাৰ হৈ যায়, সেইবোৰত কম্পন সৃষ্টি কৰে আৰু ফলত শব্দৰ সৃষ্টি হয়।

বহুতো ভেকুলীৰ এটা স্বৰ মোনা থাকে। সেইবোৰৰ মূৰটো তাৰ মুখৰ ওচৰত খোলা থাকে। ভেকুলীটোৱে শব্দ সৃষ্টি কৰাৰ সময়ত সেই মোনাটো বায়ুৰে ভৰ্তি হৈ যায় আৰু তাৰ প্ৰসাৰণ ঘটে। সেইবোৰত তেতিয়া